# অসমীয়া ভাই।

শ্রীবেণুধৰ ৰাজখোৱা বি, এ।

বেচ ৵৹ আদমহীয়া মাথোন।

# অসমীয়া ভাই।

শ্ৰীযুত বেণুধৰ ৰাজখোৱা, বি, এ,

দ্বাৰা ভণিত।

গোলাঘাট বুক এজেঞ্চিৰ পৰা,

শ্ৰীভুবনেশ্বৰ ডুৱৰাৰ দ্বাৰা প্ৰকাশিত।

১৮২৩ শঁক।

কলিকতা,

১২২ নং আমহাৰ্ষ্ট্‌ ষ্ট্ৰীট্‌ত "ৰাধাৰমণ যন্ত্ৰত"

শ্ৰীনৃত্যগোপাল চক্ৰবৰ্ত্তীৰ দ্বাৰা মুদ্ৰিত।

বেচ ৵০ আদমহীয়া মাথোন।

# পাতনি ।

আসাম দেশত আজিকালি কামৰ নতুন সোঁত ববলৈ আৰম্ভ হৈছে। ৰেল-কোম্পানি, চাহ বাগিছা এইবিলাক ঠাইত বিদেশীৰ হিঁচ্-হিঁচ্ হৈছে। তেওঁ-বিলাকে আসামত মাটি লৈ নানা তৰহৰ খেতি আৰম্ভ কৰিছে। মাটিমাহ, সৰিয়হ আদি অসমীয়াৰ পৰা কিনি লৈ কেঞা-বেপাৰীয়ে তাতেই দৌলত্দাৰ হৈছে। অসমীয়া ৰায়তক মাটিৰ খাজানাৰ সময়ত ধন ধাৰে দি দুগুণ লাভত আঘোণ মাহত পথাৰৰ পৰাই ধানৰ ডাঙৰি কঢ়িয়োৱাই তত নেপায়। জাহাজত অসমীয়া নাই; ৰেলত অসমীয়াক চুকে-কাণে দেখিলেও ভাল; চাহ বাগিচাত অসমীয়া দুটি এটি মাখোন পোৱা যায়। দোকান-পোহাৰত অসমীয়াৰ লাজ; ঠিকাত অসমীয়াৰ নাই; বেহা-বানিজত অসমীয়াৰ বুদ্ধি নাই—ধন নাই—একতা নাই। লেখাপঢ়াত অসমীয়া পিছ পৰা। গবৰ্ণ-মেণ্টৰ বিষয়-বাসনাত অসমীয়া তল-পৰা। চাৰিও-পোনে সভ্যতাৰ চেপা-খুণ্ডাত অসমীয়াই ঠাৱৰিব নোৱৰা হৈছে। দেশত হুলস্থূল হৈছে। অসমীয়াৰ অগ্নি-পৰীক্ষাৰ সময় উপস্থিত। আসামত নতুন কলেজ

হৈছে; নতুন ৰেল বহিছে; নতুন ডাক্তৰি স্কুল হৈছে। এতিয়া অসমীয়াই শুই নেথাকি, কার্য্য-দেবীৰ চৰণত নিজক উছর্গি দিব লাগে। অসমীয়াৰ এনে বিপ্লৱৰ সময়ত, তেওঁক কামত আগুৱাবলৈ উদগাই দিয়াই, এই নিচলা জাতীয় কবিতা-পুথিৰ ঘাই উদ্দেশ্য। কিন্তু আমাৰ নিচিনা নিশকতীয়া মানুহে এনে গুৰুতৰ বিষয়ত হাত দিবলৈ যোৱাটোৱেই বিড়ম্বনা! তথাপি ক্ষুদ্ৰ শক্তিৰে যি পাৰোঁ, এই বিষয়ে অলপ পুৰুষার্থ কৰিবলৈ আগ বাঢ়িলোঁ। এই পুথিখনি মুঠে ১০ দিনৰ ভিতৰত লিখি শেষ কৰা হৈছে। চৰ্কাৰি বিষয়ৰ জঞ্জাল, তাতে সংসাৰী লেঠা—কোনোমতে চোটে খৰ মাৰি, সর্ব্বসাধাৰণৰ আগত যথা সন্মানেৰে পুথিখনি আগ বঢ়ালোঁ। দায়-দোষ ক্ষমা কৰি যে ক্ষুদ্ৰ উপহাৰ গ্ৰহণ কৰে, এনে আশা কৰিলোঁ।

শেহৰ গান দুটি পূর্ব্বে লিখা। "জোনাকী"ত এ দুটি ছপা হৈও গৈছে। সাৱশেহৰ গানটি, কলিকত "অসমীয়া ভাষাৰ উন্নতি-সাধিনী সভা"ৰ ৮ম বছৰ উৎসৱত গোৱা হৈছিল।

গোলাঘাট।
১লা জুলাই, ১৯০১ চন। } শ্ৰীবেণুধৰ ৰাজখোৱা।

# সূচী।


| | | |
|---|---|---|
| ১। | কাম | ১ |
| ২। | কানি | ১০ |
| ৩। | এলাহ | ১৩ |
| ৪। | ভেম | ১৬ |
| ৫। | খিয়াল | ১৯ |
| ৬। | ১ম গান | ২২ |
| ৭। | ২য় গান | ২৩ |

# অসমীয়া ভাই।

## কাম।

মৰমৰ হেৰা মোৰ অসমীয়া ভাই,
তোমাৰ সুখৰ আৰু সেই দিন নাই।
চোৱাঁচোন ওফন্দিছে কেনেকই ধল।
তোমাৰ সান্দহ-খোৱা বালি গল তল।
ইমানতে ধৰা আৰু উজাই সাঁতোৰ।
নহলে কৰ্ফাল খাই যাবা, ভাই মোৰ।
গোবোৱা লেটাই মৰা চুৰিয়াৰ থোৰ,
গুচাই চপাই লোৱাঁ, ভেবা ভাই মোৰ।
পাক মাৰি গাঁথি দিয়া চুৰিয়া-খোঁচনী।
ওপৰত মেৰিওৱাঁ টঙ্গালি এখনি।
খহোৱাঁ মূৰৰ তুমি পাগুৰি-টোপোলা।
এছাৰি পেলাই দিয়াঁ গাৰ এঙ্গা-চোলা।

পথালি-সাঁতোৰ মেলি নেলাগে উজাব।
বৰ বৰ ঢউ আহি মুখত কোবাব।
গাত বল বান্ধি, মাতি উলাহৰ বোল,
থিয়-সাঁতোৰেৰে বলাঁ হাঁকোলা-হাঁকোল।
বৰ বৰ ঢউ আহি বুকুত মাৰিব।
বুকুৰ উছাহে ঢউ ঠেলি ঠেলি নিব।
ঈশ্বৰক চিন্তি ভাই বলাঁ আগুৱাই,
চাৰিপোনে চাই-মেলি বিঘিনি গুচাই।
নেদেখিছা কেনেকই ফেনে ফোতোকাৰে,
ৰাও-ৰাও-কৰে পানী বাঢ়ে ধাৰাসাৰে।
উটি উটি আহে ফেন চপৰা-চপৰে।
ইটে সিটে খুণ্ডা খাই ভাগি-ছিগি পৰে।
চোৱাঁচোন জাঁজ-বোৰ কেনেকই ভাহে।
শাল, তাল, উলূ, তৰা, কত কিনো আছে।
তাতে উঠি আহে সাপ ফেঁটী, তৰাদাঁহী।
নকৰিবা একো ভয়, যোৱাঁ তুমি সাহি।
শিহুবোৰে খৰ মাৰে ওপৰ ওলাই।
পিঠিত কৰত বান্ধি ঘঁৰিয়াল যায়।
ঠায়ে ঠায়ে পকনীয়া, আৰু চাকনৈয়া।
নকৰিবা ভয় একো আগ বাঢ়ি বৈয়াঁ।
দেখিবা বঁৰলা-ডকা, চাই মেলি যাবা।
ৰাটত কতনো আৰু ডুবি পাই যাবা।

এইখন বাৰু ভাই, কিনো নই কোৱাঁ।
—সংসাৰৰ "কাৰ্য্য-নদী," এয়ে জানি লোৱাঁ।
যোৱাঁ ভাই অলপতে পাবাগৈ মাজুলি।
তোমাৰ ভয়ৰ ওৰ পৰিব সমূলি।
চাৰিপোনে মাজুলিৰ শিল-গৰা বেৰা।
যোৱাঁ ভাই কোনোমতে বাট এই ফেৰা।
অলপ সাঁতুৰি গই সেই ঠাই পালে,
কি কৰিব ধলে-ঢৌৱে শিহু-ঘঁৰিয়ালে।
কতনো দেখিবা তুমি তাত ঘৰ-বাৰী;
সৰু বৰ মজলীয়া আছে শাৰী শাৰী।
চোতাল পদূলি নিকা, হাবি বন নাই।
মানুহবোৰৰ মন মুকলি সদাই।
মূৰত পাগুৰি দেখি নানা-বৰনীয়া,
ৰঙ্গা বগা হালধীয়া কলা সেউজীয়া।
কাৰোবা ভোটোকা পাগ, কাৰো বিনন্দীয়া।
ওখ নাম কাৰো পাগ, জোঙ্গা ঘূৰনীয়া।
বাৰীত খাৰধি আছে বিধে বিধে তাত,
পুখুৰিত মাছ আৰু ভঁৰালত ভাত।
বাবৰি, টকউ-লাই, লহকৰী মৰা,
মৰিচা, পালেঙ্গ, কবি, শাক দৰা দৰা।
লফা, চুকা, মান-লাই, ধনীয়া, ঢেকুৰা,
আৰু আছে কত তাত শাক তেনেকুৱা।

পুখুৰিত মাছবোৰে কৰে খল্-খল্—
কান্ধুলি, লুথুৰি পাভ, বৰালি, চিতল।
চেঙেলি, মাগুৰে পানী খলক লগায়।
চল্-চল্-কৰে পুঠি ডনিকনা যায়।
ভঁৰালত ধান ভৰা—দলকচু, শালি ;
কতনো জাহিঙ্গা, জহা, আছে থালি থালি।
সান্দহ-পিঠাৰ বৰা আছে দাম খাই।
চিৰাৰ চকোৱা কত, লেখ-জোখ নাই।
কটাৰি-ডবুৱা ধান আছে দ'ল দ'ল—
ফুলাম আখই তাৰে ফুটে ঠল ঠল।
কোমল চাউল কৰা আছে মালভোগ,
গমিৰিৰ ওৱাহোৱা, দেখি গুচে শোগ।
তথাপি কোনোৱে হাত নেথাকে সাবটি।
কামৰ নতুন নিতে উলিয়ায় পটি।
কামতেই সুখ-শান্তি, কামতে জিৰণি।
কাম নকৰিলে পায় সিহঁতে আমনি।
নেথাকে কাচিতো ভেম এলাহত পৰি—
যেনে পৰঘুমা, ফেঁচা, গেবেলা, গাহৰি।
সদাই কামত যেন টাকুৰিহে ঘূৰে—
শহা, হৰিণাৰ দৰে এনি-তেনি ফুৰে।
কেতিয়াও কাৰো নাই গুণনি-ভাবনি।
"বায়ু" বিয়াধিত নাই মূৰৰ পোৰণি।

নলয় কোনোৱে "জবা-কুসুম" একণ,
"কুন্তলীন", "ফুলেলা"ৰ নলয় ভৰণ।
দেহা মন সিহঁতৰ কেনেনো আঁটিল।
হাত, ভৰি, গাল, মুথ, সকলোৰে মিল।
মাজুলিত নাই চোৰ ঠগৰ সংশয়।
মিছা, ফাঁকি আদি পাপ কদাপি নহয়।
নিজে কাম কৰি নিজে ধন ঘটি খায়।
আন মানুহৰ কেৱেঁ মুখলৈ নেচায়।
ৰাজহুৱা ফুলবাৰী কৰে জলমল।
ফুৰে শাৰীপাতি ডেকা-গাভৰুসকল।
নানা তৰহৰ ফুল, দেখিবলৈ ভাল—
মাধই-মালতী আৰু গধূলি-গোপাল।
জাতি, জুতি, ৰঙ্গা জবা, বন্দুলি, বকুল—
বাৰী জিলিকাই ফুলি আছে কত ফুল।
গোলাপ, পদুম আৰু সেউতী, টগৰ—
নানা ৰহণৰ ফুল কৰে টৰবৰ।
চেনিচম্পা, বেলি, ভেঁট, কেতেকী, কাঞ্চন—
ফুলিছে খৰিকাজাঁই নদন বদন।
গধূলি হলেই লোকে এৰি বন-বাৰী,
ফুলনীলৈ আহে কেনে ধুন-পেঁচ মাৰি।
গাভৰুৱে খোজ কাঢ়ি ফুৰে হালি-জালি।
ৰাঙ্গলি হাতত শোভা কৰে আম-ডালি।

খোপাত মালতী-চাকি, জোনাকীৰ ফোঁট।
ডিঙ্গিত গেজেৰা আৰু সোণোৱালী কোট।
কত কিনো অলঙ্কাৰ চক্‌মক্ কৰে—
মেলা চুলি বতাহত কেনেকই লৰে!
খোজত কঁকাল কেনে যায় ভাগি ভাগি।
মিচিকীয়া হাঁহি থাকে মুখতেই লাগি।

ডেকাবোৰে আয়মেৰে ফুৰে জুমপাতি;
কত ধেমেলীয়া কথা পাতে হাঁহি-মাতি।
উলাহত মন কৰে উখলমাখল—
আনন্দত বুকুখনি কৰে টলবল।
মূৰত শুৱায় কেনে লাহৰি সেওঁতা।
গোঁফ দেখি কোন আছে নেচাই যাওঁতা।
হাতে হাতে একো ডালি আমৰ চেকনী।
মুখখনি জুৰি পৰে হাঁহি-বিৰিঙ্গণি।

লৰাবোৰে চাৰিপোনে ফুৰে লৰিচৰি,
ছাগলী-পোৱালি যেনে ফুৰে জাপ ধৰি।
বাৰিষা নইত ফুৰে উটি বুৰি ফেন—
ৰঙ্গত ওপঙ্গা তেনে লৰাবোৰো যেন।
লৰোঁতেই সিহঁতে নো কত সুখ পায়;
বতাহৰ লগে লগে উৰিবলৈ যায়।
মূৰত পাখিৰ টুপি কেনে শোভা কৰে;
বতাহত পাখিবোৰ নাচি নাচি পৰে।

হাতত বাঙ্গলী ফুল, মুখত পেঁপাটি—
কত বায়, কৰি তাকে ইকাটি-সিকাটি।
এইবোৰ লৰা, ডেকা, গাভৰুৰ মেল,
চাই চাই বুঢ়াবোৰে হাঁহে খেল্‌খেল্‌।
কোমল আসন পাৰি আউজি বহিছে।
মাজে মাজে একোবাৰ গহীনে কাহিছে।
বতাহৰ ছাটি আহি গাত উৰি পৰে—
ভৰিত ভৰিটো তুলি কি আয়ম ধৰে!
আমৰ ডালত বহি গান কৰে কুলি;
শলাগে বুঢ়াই তাক "বেচ্‌বেচ্‌" বুলি।
 ফুলনী বাৰীত আৰু কিনো আছে শুনা—
মেৰাই চাৰিও কাষে এখনি যমুনা।
মাজে মাজে আৰু কত আছে জোপা-ঘৰ।
যমুনাত দেখি কত শাৰী পদুমৰ।
জাকে জাকে ভোমোৰাই উৰি ফুৰে তাত,
কাণ জুৰ কৰে মাতি গুণ্‌গুণ্‌ মাত।
লতা, গছ গোটখাই সাজে জোপা-ঘৰ—
বতাহত জাঁওবন লৰে জৰ্‌-জৰ্‌।
ধুনীয়া মাধই লতা আৰু কুচি গছ,
দেখিবা কুঁৱৰী-লতা লৰে লচ্‌-পচ্‌।
ওলমে আকাশী-লতা মেৰাই-ঘোৰাই।
দেখিবা ঢেকীয়া-লতা আছে পাক খাই।

ওভটে মানুহবোৰ, সন্ধ্যা পাৰ হল।
টোপনি-পাটিত পৰি চকু মুদ গল।
ফেঁচুৱে ডালত পৰি নউ মাতোঁতেই,
ৰাতিপুৱা পাটি এৰি আটায়ে উঠেই।
যাৰ যিটো কাম, তাক কৰিবলৈ ধৰে—
এফেৰি এলাহ নাই মনপাৰি কৰে।
গাভৰুৱে হাত দিয়ে ঘৰুৱা বনত।
ডেকাবোৰে লাগি যায় বাজৰ কামত।
বুঢ়াবোৰে সংসাৰৰ দিহা-পোহা দিয়ে।
লৰাবোৰে ৰং পায় বনত ধৰিয়ে।
ৰাতিপুৱা গাভৰুৱে কত বন কৰে :—
এজনীয়ে হেঁপাহৰ তাঁতখন তৰে।
এজনীয়ে সাৰেগই চোতাল পদূলি ;
মজিয়া মোছেহি, মেলি পদুমী আঙ্গুলি।
কোন্ সিটী—কোনে ধৰে আখলৰ চৰু ?
—লয়লাসে যায় মোৰ ৰান্ধনী গাভৰু।
কান্ধত নাঙ্গল লই যায় কত ডেকা,
জুমুঠিৰে উলিয়াই চেৰেপাৰ সেকা।
আগত এহালি গৰু, পাছত হালোৱা—
হাতত এছাৰি ডালি মুঠি মাৰি লোৱা।
খিল্ খিল্ হাঁহি যায় কোন্ ধেমেলীয়া ?
জুমপাতি গৰু খেদে ল'ৰা গৰখীয়া।

ৰঙত খেদি লৈ যায় 'লব ধৰ' বুলি—
গৰুৰ খুৰাত উৰে মুঠি মুঠি ধূলি।
লৰাবোৰে জাঁত-জাঁত নাম গাই যায়।
কোনোৱে বা ঠেও ধৰি পেঁপাটোকে বায়।
বুঢ়াই নেথাকে বহি এনি-তেনি যায়।
ৰাৰীৰ জেওৰা দিয়ে, শাকনী নিৰায়।
কোনো জনে পথাৰত আলি দিয়েগই।
হাতত কোনোৱে বহে কাঠি-কামি লই।

ঠায়ে ঠায়ে দেখি কত চিকুন গাভৰু—
--চঁপাৰ আঙ্গুলিবোৰ, হাত সৰু সৰু।
হাতত দুডালি পোন গিহি শলা লয়।
ৰঙ্গা, বগা, উল লই কত কিনো বয়।
লোহোৰা ডেকাৰ গাত চোকা তেজধাৰ।
পেঁচ ধৰি আয়মেৰে কৰে সাজ-পাৰ।
ধেনু, কাঁৰ লই যায় মৃগয়া-যতন—
তেজী ঘোঁৰা উঠি ফুৰে ডেকা কোনোজন।
ল'ৰাই হাতত লয় মেলি পুথি-পাঁজি।
ল'ৰাবোৰ থোৱা যেন পুতলাহে সাজি।
লৰাই একনি ওঁঠ কেনেকই পঢ়ে।
চাই থাকিলেই আহা মন-প্ৰাণ হৰে!
বুঢ়াটি দেখাত যেন পকা থেকেৰাহে!
চিন্তা কৰি কত কিনো লিখে একেৰাহে।

দেশৰ উন্নতি কৰা বুঢ়াৰ ভাবনি—
তিৰোতাৰ হিত আৰু ল’ৰাৰ শিকনি।
কেনেনো স্থন্দৰ এই নগৰ মাজুলি।
ঠেলি নিয়াঁ ঢউ, ভাই, দুই বাহু তুলি—
তুমিও পাবাগৈ এই ৰূপহ নগৰী,
যোৱাঁ অসমীয়া ভাই আশঙ্কা নকৰি।

---

## কানি।

হেৰা অসমীয়া, ৰাগি এৰি দিয়াঁ,
নকৰিবা কানি-পান।
ভাই চোৱাঁচোন, ভাৰতত কোন,
নিচলা তোমাৰ মান।
সকলোৱে আজি, মেলে পুথি-পাঁজি,
তুমিহে পিছত পৰা।
সভ্য জগতত, আটাই আগত,
তুমিহে নিচেই ল’ৰা।
যত নো দেখিছা, চোকা চোকা জিবা,
তুমি হে অকল লেবা।

আটায়ে গোটায়, ধন-সোণ হায়,
তুমি হে মাথোন ভেবা।
ধন বাঁটি বাঁটি, বিদেশীয়ে আঁটি,
বান্ধি লয় থুন্নুপাক।
অসমীয়া ভাই, বুদ্ধি হেরুৱাই,
খাই আছা মেৰপাক।
বিদেশীসকল, আহি জ্ঞান-বল,
ধন, ধান লয় তুলি।
তুমি অসমীয়া, —গম নাইকিয়া—
গোটোৱাঁ কানি-সজুলি।
মগজুৰ কুঁহি, কানিয়েই শুহি,
মাৰিলে কঠিয়া তাৰ।
ইমানতে ভাই, দিয়াঁ দলিয়াই,
ধোঁৱাখোৱা কানীয়াৰ।
কানিৰ পিয়লা, জলপান-মলা,
আৰু কুঁহিয়াৰ-বাটি।
এছাৰি পেলোৱাঁ, দিয়াঁ ধোঁৱাখাৱা,
ঠুকুচি ঠুকুচি কাটি।
কলৰ চকলা, কথাৰ বকলা,
পেলোৱাঁ নিলগ কৰি।
কানিৰ টিকিৰা, তিতা-মৰা চিৰা,
আৰু নেথাকিবা ধৰি।

জুহালৰ মেল, হাঁহি খেল্‌-খেল্‌,
এৰি দিয়াঁ ভাই মোৰ।
নহলে জানিবা, আছে আৰু যিবা,
তাৰো যে পৰিব ওৰ।
কলা-ঘুমটীয়া, টোপনী সুখীয়া,
এৰি দিয়াঁ ভাই আৰু।
নতু তুমি খুটি, হেকৱাই উটি,
নেযাবানে কোৱাঁ বাৰু!
ভাই অসমীয়া, হুল-জোঙ্গ-দিয়া,
গাঁত চাৰিপোনে বেৰা।
চোৱাঁ চকু মেলি, দিয়াঁ ৰাগি ঠেলি—
গুৰৰ চেলেকা এৰাঁ।
খীণাই-শুকাই, অসমীয়া ভাই,
হঁত হল মন, দেহা।
ফট্‌-ফট্‌-কৰে, টিকিবা ওফৰে—
এৰাঁ তেনে-খনি বেহা।
টিকিবাৰ ধোঁৱা, মুখত ভৰোৱা,
আধা-ফুটা কথা কোৱা—
আৰু কাম সিটি, নকৰাঁ ভাইটি,
মোৰ কথাষাৰি লোৱাঁ।
অসমীয়া ভাই, লোৱাঁচোন চাই,
এবেলি দুৰ্দ্দশা ঘোৰ।

কানি-ৰাগি শনি, তাৰ ফুচুলনি,
নুশুনা কুটুম মোৰ।
উঠি কাম কৰাঁ, —উপদেশ ধৰাঁ—
বুকত সাহব জৰী।
বাউসিত বল, লোৱাঁ বুদ্ধি-কল,
মূৰত দয়ালু হৰি।

---

# এলাহ।

হেৰা ভাই অসমীয়া, এলাহৰ টান শিয়া,
জুৰিলে তোমাৰ দেহা, মন।
চাৰিপোনে চোৱাঁ জুমি, নহলে পাছত তুমি,
বিচাৰি নেপাবা খুদ্‌কণ।
দেখিলে ওপজে বেথা— এলাহৰ লাগি এঠা,
পাখিবোৰ হল জেপেটীয়া।
চকু মেলি চোৱাঁ ভাই, অলপতে হব হায়,
উৰিবৰ শক্তি নাইকিয়া।
আৰু নো কিহৰ গপ, মেৰালে নিকপ্‌কপ্‌,
গাত ছাতি ৰঘুমলা গছ।

মানি লোৱাঁ কথা মোৰ, পৰিব তোমাৰ ওৰ,
পৃথিবীত নেথাকিব সঁচ ।
দেখিছা চাৰিওপোনে, বেৰি আছে ধনে-সোণে,
বিদেশীয়ে বান্ধিছে টুপলি ।
কৰাঁ কথালই কাণ, তুমিও অলপমান,
লোৱাঁচোন যি পাৰা বুটলি ।
সংসাৰৰ হাট ভাই, বেহাবলৈ বিত নাই,
নেথাকিবা শুই পাটি পাৰি ।
শুদা হাতে কিনিবলৈ, যদি তুমি যোৱাঁ তলৈ,
পোহাৰীয়ে দিব হুকি মাৰি ।
খুজিলে হাটত ভাই, একো পাবলই নাই,
অউ-টেঙ্গা, ঢেকীয়া, খুতৰা ।
ভোকত মনটো জঁয়, পেট কঁকলীয়া হয়,
তেও কেৱেঁ নলয় বতৰা ।
গাটো ৰাইজাই কৰে, হামি-হেঁকটিয়ে ধৰে,
উলটি চাওঁতা কেওঁ নাই ।
সংসাৰৰ লীলা ভাই, এই বেলি লোৱাঁ চাই,
বুজি লোৱাঁ কথা ফঁহিয়াই ।
এৰাঁ ফটাকথা-ঘুম, কলা-ঘুমটিৰ উম,
খহাই পেলোৱাঁ জাপজুপ ।
নহলে ভাইটি হেৰা, হবাগই ব-ছেৰা,
এই কথা জানিবা ধুৰুপ ।

এতিয়াই কি বিলাই, চোৱাঁচোন হেৰা ভাই,
ছাল- বাকলিৰে গাটোঢকা।
ঘৰৰ ভাগিল বেৰ, কেচুবোৰ কেৰমেৰ,
কেচুমটা চমকা চমকা।
কুমজেলুকাৰ লাৰু, মেঘ-দেখা চাল আৰু,
এনে দশা এতিয়াই ভাই।
কওঁ মই আজি ন-দি, এলাহ নেৰিবা যদি,
কোনে চাব তোমাৰ বিলাই!
উচন পৰিব ভেঁটি, নেথাকিব খুদ এটি,
ভেঁটিত গজিব তিতা-লাও।
শুনিব মানুহে তাত, ফেৰুৱাৰ বৰ মাত,
ফেঁচা আৰু হুতুৰ আৰাও।
কোদো বৰলৰ চাক, শিয়ালৰ জাক জাক,
কুকুৰ-নেচীয়া বাঘ-পাল,
পাতিব ভেঁটিত বহা, জিনাৰ, হলউ, শহা,
গেৰেলা, মেচেকা, জহামাল।
মলুৱা বান্দৰে হায়, বোন্দা-ঘোঙ্গে লব ঠাই—
ভেঁটিৰ নুমাব চিন-ছাব।
এতেকতে ভাইহঁত, নেথাকিবা এলাহত,
এৰি দিয়াঁ সোৰোপালি ভাব।

# ভেম।

ভাই অসমীয়া, ভেম এৰি দিয়াঁ,
উঠি-পৰি তুমি কামত ধৰাঁ।
আগৰ সময়, পালে জানা লয়—
উন্নতিৰ তুমি লগত লৰাঁ।
মিছা যহ এৰাঁ, গেলা-গপ ফেৰা,
ৰঙ্গা থঙ্গা আৰু তামূলী-পিৰা।
উঠি লৰ ধৰাঁ, মন ওখ কৰাঁ—
কিয়নো এনেই লাগা ঠিহিৰা।
ছুক-লগা গাৰু, মেৰ-ঢৰা আৰু,
এৰি পেলাবৰ বতৰ হল।
নহলে সঁচাই, উটি যাবা ভাই,
নোৱাৰাঁ ৰাখিব পানীৰ ধল।
চোৱাঁ কল্-কল্, উন্নতিৰ ধল,
কেনে ফোতোকাৰে আহিছে সেয়া।
নাওখনি যায়, উঠাঁ গিৰিসাই,
ভেম পাতি বই থকাটো বেয়া।
কৰাঁ খৰ-পোচ, কিয় খোৱা কোঁচ,
বেগাই নাওত পেলোৱাঁ ভৰি।

ওফন্দিছে ধল, কৰি টলবল—
ৰলেই তোমাক নিব মুচৰি।
এতেকতে ভাই, দিয়া আঁতৰাই,
গাৰ পৰা তুমি গেঠেলা ভেম।
লোৱাঁ ৰণ-ঢাল, চোকা তৰোৱাল,
নেথাকিবা আৰু ধৰি গেৰেম।
এৰি থই বৈয়াঁ, জাপি সৰুদৈয়া,
মুগা চুৰিয়াৰ ভোটোৰা ফেৰ।
লোৱা বেগী জাঠি, বৈয়া বুকু ডাঠি,
দিয়াঁ কঁকালত টঙ্গালি-মেৰ।
ফিতাহি নকৰাঁ, এৰাঁ পাটিঢৰা,
আৰু চকলগা লোধোমা গাৰু।
একো নেথাকিব, লোকে কাঢ়ি নিব,
ৰণত নহবা যদি জিকাৰু।
খহোৱাঁ নকৰি, অলপো গহৰি,
লিহিৰি সউকা হাতৰ পৰা।
যুঁজলই ভাই, বলাঁ আগুৱাই,
ভলুকা-টোকোণ জোকাৰি লৰাঁ।
নাহিবাহে হটি— পেলোৱাঁ হাঁচটি,
খহোৱাঁ মূৰৰ লাহৰি পাগ।
বীৰ-সাজ লই, যুঁজা ভালকই,
হোৱাঁ ভাই তুমি ৰণত আগ।

লোৱা কথা ফেৰি, মিছা ভেম এৰি,
হুৰি-পুৰি ভাই কামত ধৰা।
কৰা কাম-কাজ, নাই তাত লাজ,
কিয়নো এনেই ফিতাহি কৰা।
কি আছে তোমাৰ, ফুটা কৰি সাৰ,
কিয়নো ইদৰে মাৰা গণ্ডপ।
লাও-টুকৰীয়া, হলা অসমীয়া,
নেভাবা নিজৰ কথা অলপ।
নিজৰ বিলাই, এবাৰ নেচাই,
যেনে গঙ্গাটোপ আছা ওফন্দি।
হায় অসমীয়া, বুদ্ধি নাইকিয়া,
হলা ফিতাহিৰ নিকিনা বন্দী।
এতেকতে ভাই, টানি ঘুপুৰাই,
উঘালা ভেমৰ জেৰেপা শিপা।
কৰা তুমি কাম, লই হৰিনাম ;
—দয়ালু হৰিয়ে কৰিব কৃপা।

# খিয়াল।

হেৰা হেৰা অসমীয়া, কথালই কাণ দিয়াঁ,
খিয়ালৰ কেঁৰা চকু পেলোৱাঁ উঘালি।
আপোনাৰ ভাই বুলি, একেলগে মিলি-জুলি,
মৰমেৰে স্বজাতিক ধৰাঁ আকোৱালি।
দেখিছা তোমাৰ ভাই, দুৰ্দ্দশাৰ সীমা নাই,
তথাপি কিয়নো তুমি নোলোৱা বুজনি।
লাগিল তোমাৰ গাত, লেতেৰা শনিৰ হাত,
কৰাঁ তাক জাৰি-ফুকি খেদাই দূৰণি।
আপোন-পেটীয়া হই, কিয় থাকা এনেকই,
খিয়ালৰ ডঁহা-চকু মেলা টল্‌টল্।
স্বজাতি হিংসিলে ভাই, নিজৰো কল্যাণ নাই,
পাব নাশ আপোনাৰো জ্ঞান বুদ্ধি বল।
লোকক কৰি খিয়াল, চিন্তা আপোনাৰ ভাল—
এনেকুৱা নীচ তুমি কেনেকই হলা!
বীৰ-পুৰুষৰ দৰে, গমহ-গমহ কৰে,
উন্নতিৰ বাটে ভাই খোজ ধৰি বলাঁ।
লই সৰিয়হ-ছাটি, বিহলঙ্গনীৰ আঁটি,
আঁতৰোৱাঁ গাৰপৰা খিয়াল-পিশাচ।

ভাঙ্গি ভোট- জলকীয়া, চকুত মোহাৰি দিয়াঁ,
গাত দিয়াঁ চোৰাতৰ সেৰা-পতা সাঁচ।
খিয়াল হুটাহ-যুত, অধম ডলুৱা ভুত,
কত মানুহক কৰে খাই নাইকিয়া।
নিদিবা ভুতক ঠাই, কোনো মতে আঁতৰাই,
দূৰ হাবিলই তাক পঠিয়াই দিয়াঁ।
তাৰ ঠাই খাল, বিল, পৰ্ব্বতৰ বৰ শিল,
দলনি, পিতনি, জান, মৰিশালি, জুৰি,
মৰি-নই, এৰা-ঘৰ, বৰ গুহা পৰ্ব্বতৰ,
এঠা-বৰ, জৰী আৰু আঁহতৰ গুৰি।
দিয়াঁ লগ একুৱাই, তুমি তাক পঠিয়াই—
ভুতৰ ৰাজ্যৰ বাজ মানুহ-সমাজ।
লগত থাকিব যাৰ, খুলি খুলি খাব তাৰ,
সোমাই বুকত-থকা আমঠুৰ মাজ।
সকলোৱে মিলি-জুলি, হেলাৰঙ্গে বাট বুলি,
উন্নতিৰ পোনে ভাই হাঁহি হাঁহি বৈয়াঁ।
স্বদেশৰ চিন্তি হিত, কাম কৰাঁ নিত নিত,
নবৰা মিছাতে তুমি খিয়ালৰ খৈয়া।
সকলোৰে হিত সাধি, খিয়ালৰ হাক বাধি,
কৰম-থলীত আগ হোৱাঁ অসমীয়া।
ইটে সিটে হাত ধৰি, বলাঁ ইঁহা-মতা কৰি—
খিয়ালৰ কিয় ভাই হোৱা বহটীয়া।

অকলে নোৱাৰা যাব, ভৰিটি পিচল খাব,
কৰম-থলীৰ বাট জেকা জেলুকীয়া।
পৰিয়াল বঙ্গহক, স্বজাতিৰ মানুহক,
কৰি লোৱা ভাই তুমি বাট-লগৰীয়া।
কৰম-যজ্ঞত লাগে, কত বস্তু ভাগেভাগে,
কুশ, তিল আৰু ফুল কতনো দুবৰি—
কাপোৰৰ নাই ওৰ, পঞ্চামৃত কতবোৰ,
আৰই চাউল আৰু কত আম-খৰি।
অকলে তোমাৰ ভাই, কৰিবৰ শক্তি নাই,
এই পাঁচি দিহা-পোহা কৰম-যজ্ঞৰ।
ই কথাটি জানি লই, স্বজাতিৰে মিল হই,
মাতি আনি লোৱা তুমি সহায় লগৰ।
হেৰা হেৰা ভাই মোৰ, গুণি চাই কথাবোৰ,
পেলোৱা মনৰপৰা খিয়াল গুচাই।
আনেৰে মিতালি পাতি, লগে-ভাগে হাঁহি-মাতি,
উন্নতিৰ বাটে বৈয়া অসমীয়া ভাই।

ভাঙ্গি ভোট- জলকীয়া, চকুত মোহাৰি দিয়াঁ,
গাত দিয়াঁ চোবাতৰ সেৰা-পতা সাঁচ।
খিয়াল হুটাহ-যুত, অধম ডলুৱা ভুত,
কত মানুহক কৰে খাই নাইকিয়া।
নিদিবা ভুতক ঠাই, কোনো মতে আঁতবাই,
দূৰ হাবিলই তাক পঠিয়াই দিয়াঁ।
তাৰ ঠাই খাল, বিল, পৰ্ব্বতৰ বৰ শিল,
দলনি, পিতনি, জান, মৰিশালি, জুৰি,
মৰি-নই, এৰা-ঘৰ, বৰ গুহা পৰ্ব্বতৰ,
এঠা-বৰ, জৰী আৰু আঁহতৰ গুৰি।
দিয়াঁ লগ একুৱাই, তুমি তাক পঠিয়াই—
ভুতৰ ৰাজ্যৰ বাজ মানুহ-সমাজ।
লগত থাকিব যাৰ, খুলি খুলি খাব তাৰ,
সোমাই বুকত-থকা আমঠুৰ মাজ।
সকলোৱে মিলি-জুলি, হেলাৰঙ্গে বাট বুলি,
উন্নতিৰ পোনে ভাই হাঁহি হাঁহি বৈয়াঁ।
স্বদেশৰ চিন্তি হিত, কাম কৰাঁ নিত নিত,
নবৰা মিছাতে তুমি খিয়ালৰ খৈয়া।
সকলোৰে হিত সাধি, খিয়ালৰ হাক বাধি,
কৰম-থলীত আগ হোৱাঁ অসমীয়া।
ইটে সিটে হাত ধৰি, বলাঁ ইহা-মতা কৰি—
খিয়ালৰ কিয় ভাই হোৱা বহটীয়া।

অকলে নোৱাৰা যাব, ভৰিটি পিচল খাব,
কৰম-থলীৰ বাট জেকা জেলুকীয়া।
পৰিয়াল বঙ্গহক, স্বজাতিৰ মানুহক,
কৰি লোৱাঁ ভাই তুমি বাট-লগৰীয়া।
কৰম-যজ্ঞত লাগে, কত বস্তু ভাগেভাগে,
কুশ, তিল আৰু ফুল কতনো দুবৰি—
কাপোৰৰ নাই ওৰ, পঞ্চামৃত কতবোৰ,
আৰই চাউল আৰু কত আঁম-খৰি।
অকলে তোমাৰ ভাই, কৰিবৰ শক্তি নাই,
এই পাঁচি দিহা-পোহা কৰম-যজ্ঞৰ।
ই কথাটি জানি লই, স্বজাতিৰে মিল হই,
মাতি আনি লোৱাঁ তুমি সহায় লগৰ।
হেৰা হেৰা ভাই মোৰ, গুণি চাই কথাবোৰ,
পেলোৱাঁ মনৰপৰা খিয়াল গুচাই।
আনেৰে মিতালি পাতি, লগে-ভাগে হাঁহি-মাতি,
উন্নতিৰ বাটে বৈয়াঁ অসমীয়া ভাই।

## ১ম গান।

ৰাগিণী অহং—তাল একতাল।

উঠাঁ একে চিপে অসমীয়া ভাই,
বান্ধা কঁকালত টঙ্গালি আঁটি।
লোৱাঁ বীৰ-সাজ, দিয়াঁ দলিয়াই,
কেঁচুৱা লৰাৰ ঘাগৰি-গাতি॥

ৰণ-ধজা ধৰি বলাঁ আগুৱাই,
তেজাল খোজত কঁপোক মাটি।
জানি লোৱাঁ, ভাই, এৰিবৰ হল
গুণা-খনিয়াৰ লাহৰি ছাটি॥

উঠি কাম কৰাঁ, এৰি দিয়াঁ তুমি
জুহাল-গুৰিৰ কলাঘুমটি।
ইমানতে, ভাই, চোৱাঁ চকু মেলি,
কানি-ধোঁৱাখোৱা পেলোৱাঁ কাটি॥

সুৱঁৰি তোমাৰ এনুৱা বিলাই,
যাব খোজে হায় বুকু যে ফাটি।
পেলোৱাঁ এছাৰ মাৰি সৰপালি।
নেথাকিবা আৰু হাত সাবটি॥

সকলোৱে কাম কৰাঁ একমনে,
পুৱাব তেতিয়া দুখৰ ৰাতি।
নহলে নিশ্চয় অভিধান-মেলি,
নেপাবা আৰু 'অসমীয়া জাতি'॥

---

## ২য় গান।

ৰাগিণী ঝিঝিট্--তাল একতাল।

আহাঁ আজি আমি আনন্দ-মনে,
দুখুনী 'আসাম' মাতৃ-চৰণে,
প্ৰণিপাত কৰি একান্ত মনে,
ধন্য কৰোঁ এই জীৱন।

সকলোৱে আমি একেলগে মিলি,
খিয়লাখিয়লি পাহৰোঁ সমূলি,
হৃদয়ৰ পৰা পেলাওঁ উভালি,
কাঁইটীয়া হিংসাৰ বন।

সাহৰ জৰীৰে মেৰোৱাঁ হৃদয়,
বলাঁ আগুৱাওঁ, নাই একো ভয়,
কুৰি ই শতিকা কাৰ্য্যৰ সময়,
নেথাকিবা হৈ অচেতন।

নকৰিবা ভয় দেখি ৰণ-ঠাই,
গুচোৱাঁ দুৰ্নাম, গুচোৱাঁ বিলাই,
পৰম ঈশ্বৰ আমাৰ সহায়,
৮৬৭/অ:
কিয় তুমি চিন্তা-মগন॥